# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-May-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
## Headlines
--------------------

১।	অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ গুৰুত্বপূৰ্ণ বৈঠক।

২।	ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শেখৰ জ্যোতি গোস্বামীৰ অহা ২৮ মে'ত জামিনৰ ৰায়।

৩।	হাইস্কুল শিক্ষান্ত, উচ্চতৰ মাধ্যমিক আৰু কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ শিক্ষাৰ্থীসকলক সদৌ অসম ছাত্ৰ সন্থাৰ সম্বৰ্ধনা।

**আৰু**

৪।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদ মুখামুখি।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণ ব্যৱস্থা পৰ্যালোচনাৰ বাবে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। সংশ্লিষ্ট বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে আলোচনাৰ অন্তত ড০ শৰ্মাই সামগ্ৰীৰ মূল্যৰ ভাৰসাম্য ৰাখিবলৈ আৰু যিকোনো অস্বাভাৱিক মূল্যবৃদ্ধি ৰোধ কৰাৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশ দিয়ে। ইয়াৰ মাজত- জিলা আয়ুক্তৰ নেতৃত্বত তিনি-চাৰিদিনৰ ভিতৰত জিলা নিৰীক্ষণ সমিতিৰ বৈঠকৰ আহ্বান, দোকান আৰু পাইকাৰী বিপণীসমূহত খুচুৰা তথা পাইকাৰী মূল্য প্ৰদৰ্শন কৰাটো বাধ্যতামূলক কৰা, জিলা আয়ুক্ত-চেম্বাৰ আৰু বাণিজ্যিক সংস্থাসমূহৰ মাজত সাপ্তাহিক পৰ্যালোচনা বৈঠকৰ আয়োজন কৰিবলৈ দিয়া নিৰ্দেশ অন্যতম। তদুপৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰন্ধন গেছৰ চিলিণ্ডাৰ বিতৰণৰ আসোঁৱাহ দূৰ কৰিবলৈ প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ দ্ৰুত আধাৰ সংযোজনত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে অস্বাভাৱিক মূল্যৰ ক্ষেত্ৰত বাণিজ্যিক অনুজ্ঞাপত্ৰ বাতিলকে ধৰি কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। ৰাজ্যবাসীৰ প্ৰতিটো সমস্যা সমাধান কৰাত চৰকাৰ সদায় সংকল্পবদ্ধ বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে দৃঢ় স্থিতি প্ৰকাশ কৰিছে।

ooooo

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শেখৰ জ্যোতি গোস্বামীৰ জামিনৰ ৰায় অহা ২৮ মে'ত প্ৰদান কৰিব। আজি অভিযুক্ত আৰু চৰকাৰী পক্ষৰ যুক্তি শুনাৰ পাছত আদালতে শেখৰ জ্যোতি গোস্বামীৰ জামিনৰ ৰায় প্ৰদানৰ বাবে ২৮ মে'ৰ দিনটো ধাৰ্য্য কৰে। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন

গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত বিশেষ তদন্তকাৰী গোটে বিগত বৰ্ষৰ ২ অক্টোবৰত শিল্পীগৰাকীৰ বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীক গ্ৰেপ্তাৰ কৰিছিল। তেতিয়াৰে পৰা হাফলং উপ-কাৰাগাৰত থকা অভিযুক্তগৰাকী জামিন বিচাৰি বৰ্তমান আদালতৰ দ্বাৰস্থ হৈছে। ফাষ্টট্ৰেক আদালতে ইয়াৰ পূৰ্বে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন নাকচ কৰিছিল। ইয়াৰ পাছত শ্যামকানু মহন্তই জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। ইতিমধ্যে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে শ্যামকানু মহন্তৰ জামিন আবেদনৰ ভিত্তিত অহা ২২ মে'ত গোচৰটোৰ কেছ ডায়েৰী দাখিল কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিছে। ইপিনে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টেটক আদালতে অহা ২৬ মে'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে ধাৰা আৰোপ সন্দৰ্ভত ৰায় দান কৰিব। এই শুনানিৰ সন্দৰ্ভত এগৰাকী অধিবক্তাই এইদৰে কয়।

............... **বাইট** ..............

ooooo

জনজাতীয় লোকসকলৰ মাজত চৰকাৰী কল্যাণমূলক আঁচনিৰ বিষয়ে সজাগতা সৃষ্টিৰ লগতে যোগ্য হিতাধিকাৰীক প্ৰাপ্য সুবিধা প্ৰদানৰ বাবে বিভিন্ন জিলাত **জন ভাগিদাৰী, সবছে দূৰ সবছে পেহলে** শীৰ্ষক অভিযান আৰম্ভ কৰা হৈছে। মৰিগাঁও জিলাত আয়ুক্ত কাৰ্যালয়ত আজি এই অভিযানৰ শুভাৰম্ভ কৰা হয়। অভিযানৰ অধীনত অহা ২৫ মে'লৈকে ভালেমান সজাগতা আৰু কল্যাণমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অভিযানৰ অংশ হিচাপে ৰক্তদান শিবিৰ, স্বাস্থ্য শিবিৰ আৰু গছপুলি ৰোপণ অভিযান ৰূপায়ণ কৰা হ'ব। যোগ্য হিতাধিকাৰীসকলক বিভিন্ন সুবিধা প্ৰদানৰ বাবে জিলাখনৰ চাৰিটা উন্নয়ন খণ্ড কপিলি, মায়ং, ভূৰবন্ধা আৰু ভুৰাগাঁৱৰ ৬৮ খন জনজাতীয় গাঁও শিবিৰ মুকলি কৰা হ'ব।

গোৱালপাৰা জিলাৰ আমজোঙাত আজি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত দুধনৈ সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক তথা ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষধৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। জিলাখনৰ ৰংজুলি, দুধনৈ, শ্ৰীসূৰ্যগিৰি, পাইকান, বালিজানা আৰু লক্ষীপুৰ উন্নয়ন খণ্ডত অভিযানৰ কাৰ্যসূচী লোৱা হ'ব।

ooooo

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আজি গুৱাহাটীত হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ শিক্ষাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰা হয়। কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত আজি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি প্ৰকল্পত আয়োজিত অনুষ্ঠানত ১৩২গৰাকী কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰা বিদ্যালয়সমূহৰ অধ্যক্ষসকলকো এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ হিতেশ ডেকা আৰু ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া দিগন্ত বৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অভিনন্দন অনুষ্ঠানৰ পাছত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জল কুমাৰ ভট্টাচাৰ্যই এইদৰে কয়-

(বাইট)

ooooo

ড'নাৰ মন্ত্ৰালয়ে উত্তৰ পূৰ্বাঞ্চলৰ এৰী ৰেচম বস্ত্ৰ আৰু ৰাজস্থানৰ কোটা দৰিয়া সূতাৰ সংমিশ্ৰণত নতুন বস্ত্ৰ উৎপাদন কৰি ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত দুয়োবিধ বস্ত্ৰৰ প্ৰসাৰৰ লক্ষ্য স্থিৰ কৰিছে। এই সংক্ৰান্তত ড'নাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজুৱে কালি ৰাজস্থানৰ কোটা জিলা প্ৰশাসনৰ মুৰব্বীৰ সৈতে আলোচনা কৰে। জাজুৰ নেতৃত্বৰ দলটোৱে শিপিনী, হস্তশিল্পী আৰু ফেশ্বন ডিজাইনাৰসকলৰ সৈতেও এই বিষয়টো লৈ আলোচনা কৰে। এই আলোচনাত এৰী ৰেচমৰ সৈতে কোটা দৰিয়াৰ সংমিশ্ৰণেৰে উচ্চ মান সম্পন্ন, আৰামদায়ক আৰু সুন্দৰ বস্ত্ৰ উৎপাদনৰ বিভিন্ন দিশ চালি-জাৰি চোৱা হয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বস্ত্ৰ উৎপাদনৰ ক্ষেত্ৰত গ্ৰহণ কৰা সংহত দৃষ্টিভংগী আৰু এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ নীতি অনুসৰি বস্ত্ৰ খণ্ডত এই সমন্বয় আৰু সাংস্কৃতিক সংমিশ্ৰণৰ অনবদ্য পদক্ষেপ লোৱা হৈছে।

ooooo

চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত কৰ্তব্যৰত অৱস্থাত অকালতে প্ৰাণ হেৰুওৱা বজালীৰ কমল তালুকদাৰৰ শেষকৃত্য আজি সামৰিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে পৰহি চি আৰ পি এফত কৰ্মৰত ৪৭ বছৰীয়া জোৱানজনে কৰ্তব্যৰত অৱস্থাতে ঢলি পৰি কৰুণ মৃত্যুক সাৱটি লৈছিল। কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীত ২৭ বছৰ কাল চাকৰি কৰি সেনা ছাউনীতে শোকাৱহভাৱে মৃত্যুক সাৱটি লোৱা কমল তালুকদাৰে মৃত্যুৰ সময়ত পিতৃ-মাতৃ, পত্নী, দুটা পুত্ৰ সন্তান আৰু এগৰাকী ভাতৃক এৰি থৈ যায়। জোৱানজনৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

ooooo

নলবাৰী জিলা শিক্ষা বিভাগে পৰৱৰ্তী শিক্ষাবৰ্ষৰ পৰা জিলাখনৰ ১০ খন উচ্চ মাধ্যমিক বিদ্যালয়ত অসমীয়া মাধ্যমৰ লগতে ইংৰাজী মাধ্যমত শিক্ষাদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জিলাখনত ৪ বছৰ পূৰ্বে ঐতিহাসিক গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পোনপ্ৰথমবাৰৰ বাবে ইংৰাজী মাধ্যম প্ৰৱৰ্তন কৰা হৈছিল। বিদ্যালয়খনে আশানুৰূপ সফলতা লাভ কৰাৰ পাছত জিলাখনৰ ১০ খন বিদ্যালয় নতুনকৈ নিৰ্বাচন কৰা হৈছে। এই সন্দৰ্ভত বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰাতুল কুমাৰ দাসে পৰৱৰ্তী শিক্ষাবৰ্ষৰ আৰম্ভ হোৱাৰ পূৰ্বে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলাৰ বাবে সংশ্লিষ্ট বিদ্যালয়কেইখনৰ প্ৰধান শিক্ষকসকললৈ নিৰ্দেশনা জাৰি কৰিছে।

ooooo

চিৰাঙৰ ৰঞ্চাইধাম দুলিগাঁৱত আজি আৱকাৰী বিভাগ আৰু আৰক্ষীয়ে অভিযান চলাই চোৰাং বিলাতীসুৰাৰ কাৰখানা উৎখাত কৰে। অভিযানকালত কাৰখানাৰ স্বত্বাধিকাৰী চুৰানা মুচাহাৰী নামৰ লোকজনক আটক কৰা হয়। এই কাৰখানাত চোৰাংভাৱে তিনিটা কোম্পানীৰ বিলাতী সুৰা উৎপাদন কৰা হৈছিল। অভিযানকাৰী দলে কাৰখানাটোৰ পৰা প্ৰায় কোটি টকা মূল্যৰ সুৰা প্ৰস্তুত কৰা সামগ্ৰী জব্দ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰত ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত